# অসম আদিত্য

৪ কাতি, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ৩১ অক্টোবৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, October 31, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## ২ কোটি টকা দ



## অসম বিজ্ঞান সমিতিৰ ৰাজ্যিকভিত্তিক তৰ্ক

ডিব্ৰুগড়, ৩০ অক্টোবৰ ঃ ডিব্ৰুগড়ত অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত ২৮ নৱেম্বৰত নিলোফাৰ ৰহমান শইকীয়া প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাখনি ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'বলগীয়া তৰ্ক প্ৰতিযোগিতাৰ বিষয়ঃ (বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নতহে কেৱল এখন ৰাষ্ট্ৰৰ বৈষয়িক উন্নতি নিৰ্ভৰ কৰে (Prosperity of a nation depends only in the Development of Science and Technology)। অসমীয়া আৰু ইংৰাজী ভাষাৰ যি কোনো এটাতহে প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলে নিজৰ শিক্ষানুষ্ঠানৰ পৰা প্ৰমাণ-পত্ৰসহ দুকপিকৈ ফটো আনিব লাগিব। বিতংভাৱে জানিবলৈ ৯৪৩৫১৩০২৩৭ আৰু ৭৮৯৬০৯৭৭৪১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সমিতিৰ সভাপতি আৰু সম্পাদকে জানিবলৈ দিছে। এখন শিক্ষানুষ্ঠানৰ পৰা সৰ্বাধিক ২ গৰাকী প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব আৰু দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগীয়ে যোগদান কৰাৰ সম্পৰ্কে ২৩ নৱেম্বৰ, ২০২৪ৰ ভিতৰত জনাব লাগিব।

আৰু অসম পেঞ্চনাৰ সেৱা সন্থা, ডিব্ৰুগড় শাখাৰ যুটীয়া প্ৰচেষ্টাত অহা ৫ নৱেম্বৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ১৪ সংখ্যক মৃত্যু তিথি এক বিস্তৃত কাৰ্যসূচীৰে আয়োজনৰ দিহা কৰা হৈছে। যোৱা ২৮ অক্টোবৰত অনুষ্ঠিত হৈ যোৱা মহাসভাৰ কাৰ্যনিৰ্বাহক বৈঠকত পেঞ্চনাৰ সেৱা সন্থা, ডিব্ৰুগড় শাখাৰ স'তে এক আলোচনামৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি সন্থাৰ যুটীয়া সম্পাদক চন্দনজ্যোতি কলিতা, দেৱীকা দেৱী আৰু প্ৰচাৰ সম্পাদক ভূৱনজ্যোতি বৰুৱাই এক বিবৃতিযোগে জানিবলৈ দিছে। উল্লেখ্য যে সাংস্কৃতিক মহাসভাৰ ডিব্ৰুগড় সদৰ আঞ্চলিকৰ সভাপতি দিলীপ কুমাৰ দাসৰ